**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2025
**Time:** 1910 Hrs

***Assamese Evening Bulletin***

## HEADLINES

০০০০০০০

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকনায়ক জয়প্ৰকাশ নাৰায়ণ হাস্পতাল পৰিদৰ্শন কৰে আৰু সোমবাৰে দিল্লীত হোৱা কাৰ বোমা বিস্ফোৰণত আহতসকলক সাক্ষাৎ কৰে।

২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেবোৰণত বোট্‌ছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বোকোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩।	স্বাস্থ্য মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য কাৰ্যসূচীৰ অধীনত বায়ু প্ৰদূষণ সন্দৰ্ভত নতুনকৈ স্বাস্থ্য পৰামৰ্শাৱলী জাৰি কৰিছে।

৪।	সমগ্ৰ দেশত আজি লোকসেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হয়।

*আৰু*

৫।	এছিয়ান চেম্পিয়নশ্বিপত আজি ভাৰতৰ অভিষেক বাৰ্মা আৰু দীপশিখাই কম্পাউণ্ড শাখাৰ মিক্সড দলীয় শিতানত ফাইনেলত প্ৰৱেশ কৰি দেশৰ হকে দুটা পদক নিশ্চিত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকনায়ক জয়প্ৰকাশ নাৰায়ণ হাস্পতাল পৰিদৰ্শন কৰে আৰু সোমবাৰে দিল্লীত হোৱা কাৰ বোমা বিস্ফোৰণত আহতসকলক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদী ভূটানৰ দুদিনীয়া ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত বিমান বন্দৰৰ পৰা পোনে পোনে চিকিৎসালয়খনলৈ যায়। শ্ৰীমোদীয়ে আহতসকলৰ সৈতে কথা পাতে আৰু তেওঁলোকৰ আশু আৰোগ্য কামনা কৰে। চিকিৎসালয়খনৰ চিকিৎসক আৰু বিষয়াবৰ্গই প্ৰধানমন্ত্ৰীক আহতসকলৰ স্বাস্থ্যৰ বিষয়ে অৱগত কৰে। চিকিৎসালয়খন পৰিদৰ্শনৰ পাছত শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে এই ষড়যন্ত্ৰৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেবৰণত বোট্‌ছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বোকোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয় আৰু বিভিন্ন দ্বিপাক্ষিক, পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰে। আলোচনা কালত দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, কৃষি, স্বাস্থ্য, প্ৰতিৰক্ষা, খনন, দক্ষতা বিকাশ আৰু ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। দুয়োপক্ষই লগতে স্বাস্থ্য যতন আৰু ভেষজ খণ্ডৰ সহযোগিতা সন্দৰ্ভত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমুৰ্মুৱে লগতে বোট্‌ছোৱানালৈ এইছ আই ভি সংক্ৰমিত ৰোগীৰ দৈনিক চিকিৎসাৰ বাবে প্ৰয়োজনীয় এণ্টি-ৰেট্ৰোভাইৰেল ঔষধ প্ৰেৰণ কৰাৰ বাবে ভাৰতে লোৱা সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰে। ৰাষ্ট্ৰপতি ডুমা

বোকোই কয় যে ভাৰত বিভিন্ন প্ৰকাৰৰ ঔষধ বিশেষকৈ জেনেৰিক ঔষধৰ অগ্ৰণী নিৰ্মাতা আৰু আজি স্বাক্ষৰিত বুজাবুজিৰ চুক্তিখনে বোট্‌ছোৱানাৰ বাবে গুণগত তথা বহনক্ষম ঔষধ সহজলভ্য কৰি তুলিব। ইয়াৰ ফলত দেশখনৰ স্বাস্থ্য যতনৰ সমস্যা সমাধান হ'ব বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এণ্টি-ৰেট্ৰোভাইৰেল ঔষধৰ প্ৰস্তাৱৰ বাবে ভাৰতৰ শলাগ লয়। আলোচনা কালত চিতা প্ৰকল্প সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰা হয়। চিতা প্ৰকল্প হৈছে বিলুপ্ত হোৱা কেইবা দশক পাছত ভাৰতলৈ পুনৰ চিতা বাঘ অনাৰ এটা অনন্য উদ্যম। ইয়াৰ অধীনত বোট্‌ছোৱানাই আঠটা চিতা বাঘ ভাৰতলৈ প্ৰেৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত কাইলৈ বোট্‌ছোৱানাত চিতা বাঘৰ প্ৰতীকাত্মক হস্তান্তৰ কৰা হ'ব। আলোচনাৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমুৰ্মুৱে ডায়মণ্ড ট্ৰেডিং কোম্পানী বোট্‌ছোৱানা পৰিদৰ্শন কৰে। হীৰা ব্যৱসায়ে পৰম্পৰাগতভাৱে ভাৰত-বোট্‌ছোৱানাই অৰ্থনৈতিক সম্পৰ্ক প্ৰাধান্য লাভ কৰি আহিছে আৰু দেশখনৰ পৰা হীৰা আমদানিৰ ক্ষেত্ৰত ভাৰত গুৰুত্বপূৰ্ণ স্থানৰূপে পৰিগণিত হৈ আহিছে। দেশখনৰ হীৰা কটা আৰু পোলিচ কৰা গোটসমূহৰ অধিকাংশই হৈছে প্ৰবাসী ভাৰতীয়সকল। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুই বোট্‌ছোৱানাৰ সাংসদসকলক উদ্দেশ্যি ভাষণ দিব আৰু দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত-বিনিময় কৰিব। দেশখনৰ কেইবাগৰাকীও কেইবগৰাকীও গণ্য-মান্য ব্যক্তিয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি মুৰ্মু এংগোলা ভ্ৰমণ সামৰি কালি বোট্‌ছোৱানাত উপস্থিত হয়। এয়া হৈছে কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ আফ্ৰিকীয় দেশসমূহলৈ যোৱা প্ৰথম ভ্ৰমণ।

০০০০০০০

স্বাস্থ্য মন্ত্ৰালয়ে আজি ৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য কাৰ্যসূচীৰ অধীনত বায়ু প্ৰদূষণ সন্দৰ্ভত নতুনকৈ স্বাস্থ্য পৰামৰ্শাৱলী জাৰি কৰে। ইয়াৰ অধীনত নগৰীয়া অঞ্চলৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, জিলা চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয়সমূহত বক্ষ চিকিৎসা গোট স্থাপন কৰিবলৈ কোৱা হৈছে। পৰামৰ্শাৱলীত লগতে এনে গোটসমূহ বায়ু প্ৰদূষণ বেছি হোৱাৰ সময়ত দৈনিক কমেও ২ ঘণ্টা খোলা ৰখাৰ পৰামৰ্শ দিয়া হৈছে। পৰামৰ্শাৱলীত লগতে জনসাধাৰণক পথ, যান-জঁট হোৱা এলেকা, উদ্যোগ, নিৰ্মাণ কাৰ্য চলি থকা ঠাইৰ ওচৰৰ অঞ্চলৰ লেখিয়া অধিক বায়ু প্ৰদূষণ হোৱা এলেকাসমূহ এৰাই চলিবলৈ কোৱা হৈছে। জনসাধাৰণক পুৱা আৰু সন্ধিয়াৰ ভাগত খোজ কঢ়া, দৌৰা আৰু শাৰিৰীক ব্যায়াম নকৰিবলৈ কোৱা হৈছে। জনসাধাৰণক জৈৱ-ইন্ধন এৰাই চলিবলৈ আৰু আহাৰ প্ৰস্তুত কৰাৰ বাবে গেছ অথবা বিদ্যুতৰ দৰে ধোঁৱাবিহীন ইন্ধন ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে। ফটকা ফুটোৱা, চিগাৰেট হুপা আৰু মহ খেদোৱা কইল আৰু ধূপকাঠি জ্বলোৱাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। জনসাধাৰণক নিয়মীয়াভাৱে পানীৰে চকু ধুবলৈ আৰু গৰ পানীৰে কুলকুলিয়াবলৈ পৰামৰ্শ দিয়া হৈছে। N-95 আৰু N-99 মাস্ক ব্যৱহাৰ কৰাৰো পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

সমগ্ৰ দেশত আজি লোকসেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হয়। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ১৯৪৭ চনত প্ৰথম আৰু শেষবাৰৰ বাবে আকাশবাণীৰ ষ্টুডিঅ' পৰিদৰ্শন কৰাৰ ঐতিহাসিক ঘটনাৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে ১২ নবেম্বৰত এই দিৱস পালন কৰা হয়। সিদিনাখন মহাত্মা গান্ধীয়ে আকাশবাণীৰ জৰিয়তে দেশ বিভাজনৰ পাছত হাৰিয়ানাৰ কুৰুক্ষেত্ৰত অস্থায়ীভাৱে বসতি স্থাপন কৰা শৰণাৰ্থীসকলক সম্বোধন কৰিছিল। ২০০০ চনত সেই সময়ৰ কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী সুষমা স্বৰাজে এই বিশেষ দিনটোক লোকসেৱা সম্প্ৰচাৰ দিৱস হিচাপে পালন কৰাৰ বিষয়ে ঘোষণা কৰিছিল।

নতুন দিল্লীত থকা আকাশবাণী ভৱনত আজি এই দিৱস পালন কৰা হয়। প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ চেহগালে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে কেইবাগৰাকীও শিল্পী বাপু ষ্টুডিঅ'ত মহাত্মা গান্ধীৰ প্ৰিয় ভক্তিমূলক গীত পৰিবেশন কৰে।

0000000

বৈদেশিক মন্ত্ৰালয়ত পাশ্চাত্যৰ সচিব চিবি জৰ্জে আজি নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচীৰ কাৰ্যবাহী প্ৰশাসক হাওলিয়াং ঝুক সাক্ষাৎ কৰে আৰু বহনক্ষম উন্নয়নৰ লক্ষ্য পূৰণ তথা ডিজিটেল পৰিৱৰ্তনৰ বাবে সহায়-সহযোগিতা সন্দৰ্ভত আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এইবুলি প্ৰকাশ কৰিছে যে ভাৰতে সম্প্ৰতি বহনক্ষম উন্নয়নৰ লক্ষ্য পূৰণ কৰাৰ লগতে বিকাশশীল দেশসমূহৰ জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় জটিলতা দূৰ কৰাৰ বাবে দক্ষিণ-দক্ষিণ সহযোগিতা সুদৃঢ় কৰাৰ বাবে সাহায্য আগবঢ়াই আহিছে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ গতিশীলতা আৰু সংস্কাৰৰ আৱশ্যকতা সন্দৰ্ভতো মত-বিনিময় কৰে।

0000000

অহা ১৪ নৱেম্বৰত নতুন দিল্লীত এই বৰ্ষৰ সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা প্ৰদান কৰা হ'ব। এই বঁটাসমূহ সাহিত্য অকাডেমীৰ অধ্যক্ষ মাধৱ কৌশিকে প্ৰদান কৰিব। এই বঁটাত এটা ব্ৰঞ্জৰ পদকৰ লগতে ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হ'ব বুলি সাংস্কৃতিক মন্ত্ৰালয়ে জানিবলৈ দিয়ে। হিন্দী সাহিত্য শিতানত এই পুৰস্কাৰ সুশীল শুক্লাক তেওঁৰ গ্ৰন্থ **এক বাতে বৰা** গ্ৰন্থখনৰ বাবে আৰু নীতিন কুশলপ্পাক **DAKSHIN : SOUTH INDIAN MYTHS FABLES RETOLD** নামৰ গ্ৰন্থখনৰ বাবে ইংৰাজী শিতানত এই বঁটা প্ৰদান কৰা হ'ব।

0000000

৪৪ সংখ্যক শ্বাৰজাহ আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলাই বাণিজ্য কেন্দ্ৰ শ্বাৰজাহক এখন গোলকীয় মেলাথলীলৈ ৰূপান্তৰ কৰিছে য'ত ১১৮খন দেশৰ দুহেজাৰ ৩৫০ গৰাকী গ্ৰন্থ প্ৰকাশকে অংশগ্ৰহণ কৰিছে। অহা ১৬ নৱেম্বৰলৈ অনুষ্ঠিত এই মেলাত বক্তৃতা, কবিতা পাঠ, কৰ্মশালা আৰু সাংস্কৃতিক আদান-প্ৰদানকে ধৰি এহেজাৰ ২০০টা বিভিন্ন শিতান আছে বুলি শ্বাৰজাহ গ্ৰন্থ প্ৰাধিকৰণে জানিবলৈ দিছে। শিক্ষা মন্ত্ৰালয়ৰ অধীনত নেচনেল বুক ট্ৰাষ্টে অনুষ্ঠিত কৰা এই মেলাত ইংৰাজী, হিন্দী, উৰ্দু আৰু কেইবাটাও আঞ্চলিক ভাষাত ১০০ৰো অধিক ভাৰতীয় প্ৰকাশকে গ্ৰন্থ প্ৰদৰ্শন কৰিছে। এই পদক্ষেপে বহিঃৰাষ্ট্ৰত ভাৰতৰ সৰ্ববৃহৎ প্ৰকাশন গোষ্ঠীক প্ৰতিনিধিত্ব কৰে, যি দেশখনৰ সাহিত্য ক্ষেত্ৰত ক্ৰমবৰ্ধমান অগ্ৰগতি আৰু আৰৱৰ সৈতে ইয়াৰ সাংস্কৃতিক সম্পৰ্ক অধিক শক্তিশালী হোৱাৰ ওপৰত আলোকপাত কৰে।

0000000

দেশত যোৱা অক্টোবৰত খুচুৰা মুদ্ৰাস্ফীতি ছেপ্তেম্বৰৰ ১ দশমিক ৪-৪ শতাংশৰ পৰা দশমিক ২-৫ শতাংশলৈ হ্ৰাস পাইছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি গ্ৰামাঞ্চলত মুদ্ৰাস্ফীতি ২ দশমিক ৫ শতাংশ আৰু নগৰ অঞ্চলত দশমিক ৮-৮ শতাংশ হৈ আছে। একেদৰে সৰ্বভাৰতীয় উপভোক্তা খাদ্য মূল্য সূচ্যাংক আধাৰিত খাদ্য মুদ্ৰাস্ফীতিৰ হাৰ একেৰাহে ৫ মাহ ধৰি হ্ৰাস পাইছে আৰু অক্টোবৰত এই হাৰ ৫ শতাংশলৈ হ্ৰাস পায়। এই সময়ছোৱাত গ্ৰামাঞ্চলৰ খাদ্য মুদ্ৰাস্ফীতি হাৰো ৪ দশমিক ৮-৫ শতাংশলৈ অৱনমিত হয়।

০০০০০০০

বাংলাদেশৰ ৰাজধানী ঢাকাত অনুষ্ঠিত এছিয়ান চেম্পিয়নশ্বিপত আজি ভাৰতৰ অভিষেক বাৰ্মা আৰু দীপশিখাই কাজাখস্থানক ১৫৬, ১৫৩ পইণ্টত পৰাস্ত কৰি কম্পাউণ্ড শাখাৰ মিক্সড দলীয় শিতানত ফাইনেলত প্ৰবেশ কৰি দেশৰ হকে দুটা পদক নিশ্চিত কৰে। খেলুৱৈ দুগৰাকীয়ে কাইলৈ বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে ৰিকাৰ্ভ শিতানত ভাৰতৰ অংশিকা কুমাৰী আৰু য়শদীপ ভোগে শুকুৰবাৰে ব্ৰঞ্জৰ পদকৰ খেলত দক্ষিণ কোৰিয়াৰ সন্মুখীন হ'ব।

০০০০০০০

সমাপ্ত